# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-11-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
**::::::::::::::::::::::::::::::::::::::::**

## <u>Headlines</u>

১। অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি। মাজত মাত্ৰ কেইটামান ঘণ্টা বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

২। আজি ৰাষ্ট্ৰীয় শিক্ষা দিৱস। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো বিভিন্ন কাৰ্যসূচী গ্ৰহণ। উজ্জ্বল ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত শিক্ষাই মূল শক্তি বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মন্তব্য।

৩। ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে আজি ন্যায়াধীশ সঞ্জীৱ খান্নাৰ শপতগ্ৰহণ।

৪। তৃতীয় উত্তৰ-পূব স্কোৱাছ প্ৰতিযোগিতাৰ পুৰুষ আৰু মহিলাৰ দলীয় শাখাত অসমৰ জয়।

*আৰু*

৫। দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ অন্তত ভাৰতৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ জয়লাভেৰে ১-১ৰ ফলাফলত সমতা স্থাপন ।

০০০০০০০

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰিব। মাজত মাত্ৰ ৮ ঘণ্টা বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত বঙাইগাঁও বিধানসভা সমষ্টিৰ শেহতীয়া তথ্যৰ বাবে সংযুক্ত হৈছো আমাৰ বঙাইগাঁৱৰ সংবাদদাতা তেজষ ত্ৰিপাঠীৰ সৈতে -

-বাইট-

আন সমষ্টিকেইটাৰ দৰে চামগুৰি সমষ্টিতো উপ-নিৰ্বাচনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনী নীতি-নিৰ্দেশনাসমূহ বলৱৎ কৰাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে। সমষ্টিটোত এইবাৰ মুঠ ১ লাখ ৮০ হাজাৰ ৪৪৮ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ৯১ হাজাৰ ৩০৪ গৰাকী পুৰুষ, ৮৯ হাজাৰ ১৩৩ গৰাকী মহিলা আৰু ১১ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। উপ-নিৰ্বাচনৰ বাবে সমষ্টিটোৰ ১৯৭ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

এই উপ-নিৰ্বাচনত ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এন ডি এ, কংগ্ৰেছ আৰু বিপিএফৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত ভোটদাতাক আকৰ্ষণ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী আৰু চিদলী আসনখনৰ বাবে ৩ গৰাকী

প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে, বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কংগ্ৰেছ আৰু এন ডি এ-য়ে আটাইকেইখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। এন ডি এ মিত্ৰজোঁটৰ ভিতৰত বিজেপিয়ে ৩ খন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে অসম গণ পৰিষদ আৰু ইউ পি পি এলে আন দুখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

ইফালে, ঝাৰখণ্ডত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰো আজি বিয়লি সামৰণি পৰিব। পৰহিলৈ ৰাজ্যখনৰ ৪৩টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০

আজি ৰাষ্ট্ৰীয় শিক্ষা দিৱস। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমৰ শিক্ষানুষ্ঠানসমূহতো বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী শিক্ষা মন্ত্ৰী তথা বিশিষ্ট শিক্ষাবিদ মৌলানা আবুল কালাম আজাদৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ১১ নৱেম্বৰত ৰাষ্ট্ৰীয় শিক্ষা দিৱস পালন কৰা হয়। আজিৰ দিনটোত দেশৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্বৰ সন্দৰ্ভত আলোকপাত কৰা হয়।

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় শিক্ষা দিৱস উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত তেওঁ কয় যে, দেশৰ প্ৰগতি, প্ৰতিগৰাকী ব্যক্তি, নতুন নতুন উদ্ভাৱন আৰু সামাজিক তথা অৰ্থনৈতিক বিকাশৰ সৈতে এটা উজ্জ্বল ভৱিষ্যৎ নিৰ্মাণৰ ক্ষেত্ৰত শিক্ষাই হৈছে মূল শক্তি। তেওঁ কয় যে, মৌলানা আবুল কালাম আজাদে দেশৰ আধুনিক শিক্ষাৰ ভেটি গঢ়িছিল। মহান ব্যক্তিগৰাকীয়ে সাহিত্য একাডেমী, ললিত কলা একাডেমী, সংগীত নাটক একাডেমী, আদিকে ধৰি ভালেমান শিক্ষা প্ৰতিষ্ঠান গঢ়ি তুলিছিল।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা ১৫ নৱেম্বৰৰ পৰা শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস সমিতিসমূহৰ উদ্যোগত ৰাসৰ আখৰাকে ধৰি অন্যান্য প্ৰস্তুতি চলাই থকা হৈছে। মহানগৰীৰ ওদালবাক্ৰাত জনজাতীয় যুৱ কল্যাণ পৰিষদৰ উদ্যোগত আয়োজন কৰা ৰাস মহোৎসৱত ১৫০টা মৃণ্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰা হ'ব। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা এই ৰাসলীলা বা ৰাস মহোৎসৱ উপলক্ষে মাজুলীকে ধৰি ৰাজ্যৰ অন্যান্য অঞ্চলসমূহতো উৎসাহ উদ্দীপনাৰ সৃষ্টি হৈছে। মাজুলী জিলা প্ৰশাসনে ৰাসৰ সময়ত যাতে সমগ্ৰ মাজুলীতে শান্তি-শৃংখলা বৰ্তাই ৰাখি পৰা যায় তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাস উপলক্ষে মাজুলীলৈ অহা পৰ্যটকসকলে যাতে সুন্দৰভাৱে মাজুলীত আহ-যাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি যান-বাহনৰ চালকসকলক নীতি-নিয়ম মানি চলিবলৈ জিলা প্ৰশাসনে সকলোৰে প্ৰতি আহ্বান জনাইছে। ৰাস উপলক্ষে কালি মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখন সংবাদকৰ্মীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অনুষ্ঠান-প্ৰতিষ্ঠান, দোকান-পোহাৰৰ লগতে প্ৰতিঘৰৰ সন্মুখত মাটিৰ চাকি জ্বলাই আধ্যাত্মিক চেতনাৰে ৰাস উদযাপন কৰিবলৈ জিলা আয়ুক্তই মাজুলীবাসীৰ প্ৰতি আহ্বান জনায়। ৰাসৰ সময়ছোৱাত যাতে মাজুলীৰ কমলাবাৰী, অফলামুখ, দক্ষিণপাট ঘাটেৰে পুৱাৰে পৰা যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অহৰহৰ ফেৰী সেৱা চলি থাকে তাৰ বাবে

জিলা প্ৰশাসনে সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিছে। তদুপৰি অফলাইন যোগেও ফেৰীৰ টিকট উপলব্ধ হোৱাৰ লগতে ইয়াৰ মূল্য স্বাভাৱিক কৰি ৰাখিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছে। জিলাখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ৰাস মহোৎসৱৰ পৰিচালনা সমিতিক ৰাস উদযাপনৰ সময়ত পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ নিৰ্দেশ দিছে। স্বচ্চতা বজাই ৰখা তিনিখন ৰাস উদযাপন সমিতিক এইবাৰ জিলা প্ৰশাসনে স্বচ্ছ্তা বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে গড়মুৰ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী আদি সত্ৰত পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা ৰাস উৎসৱ মাজুলীৰ অন্যতম উৎসৱ আৰু দেশ বিদেশৰ পৰ্যটকসকলকো এই উৎসৱৰ বাৰেৰহনীয়া পৰম্পৰাই আকৰ্ষিত কৰি আহিছে।

উজনি অসমৰ ভালেমান ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰাকে ধৰি প্ৰস্তুতি চলি আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনাৰ লগতে মৃণ্ময় মূৰ্তিৰ সহায়ত ৰাসলীলা পৰিবেশন কৰা হয়। বৰ্তমান সময়ত আটকধুনীয়া আলোকসজ্জা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এই ৰাসলীলা উপভোগ্য কৰি তোলা হয়।

০০০০০০০

ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত ল'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ খান্নাক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। নতুন মুখ্য ন্যায়াধীশগৰাকীয়ে অহা বছৰ মে'ৰ মাজভাগলৈকে ভাৰতৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। শ্ৰী খান্না ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ স্থলাভিষিক্ত হ'ব। ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই ১৯৮৩ চনত দিল্লী বাৰ কাউন্সিলত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁক ২০০৫ চনত দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে দায়িত্ব প্ৰদান কৰা হৈছিল। ২০১৯ চনত ন্যায়াধীশ খান্নাই উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰাৰ ক্ষেত্ৰত ন্যায়াধীশ সঞ্জীৱ খান্নাই ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০০

অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ মন্তব্যৰ প্ৰতিবাদত মৰাণ ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলনে আজি পুৱা ৫ বজাৰ পৰা আহ্বান দিয়া তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধৰ মিশ্ৰিত প্ৰভাব জিলা দুখনত পৰিলক্ষিত হৈছে। আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জনোৱা মতে আজি পুৱা তিনিচুকীয়াৰ পথত বাহনৰ চলাচল কম হোৱা পৰিলক্ষিত হৈছে আৰু ঠায়ে ঠায়ে দোকান-বজাৰ বন্ধ হৈ থকা দেখা গৈছে। অৱশ্যে জৰুৰীকালীন সেৱাসমূহ স্বাভাৱিকভাৱে চলি আছে। তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা প্ৰশাসনে এই বন্ধৰ পৰিপ্ৰেক্ষিতত জিলা দুখনত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত অকৰ্তৃত্বশীলভাৱে বন্ধৰ আহ্বান জনোৱা, পথ অৱৰোধ কৰাকে ধৰি নাগৰিকৰ দৈনন্দিন কামত বাধা আৰোপ কৰা আদি সম্পূৰ্ণ নিষিদ্ধ কৰিছে। তিনিচুকীয়া জিলাৰ বিভিন্ন থানা এলেকাত কাৰ্যবাহী দণ্ডাধীশৰ নেতৃত্বত আইন শৃংখলা বাহিনী নিয়োগ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত এগৰাকী কনিষ্ঠ মহিলা চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰ আজি এখন বিশেষ আদালতত আৰম্ভ হ'ব। ফাষ্টট্ৰেক আদালতত দৈনিক এই বিচাৰ প্ৰক্ৰিয়াৰ অগ্ৰগতি হ'ব। উল্লেখযোগ্য যে যোৱা ৯ আগষ্টৰ পুৱা চিকিৎসালয়খনত চিকিৎসকগৰাকীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ৯৪ দিনৰ পাছত এই বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। উল্লেখযোগ্য যে ৩৫ দিন পূৰ্বে কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আইয়ে প্ৰথমখন অভিযোগনামা দাখিল কৰে। এই অভিযোগনামাত সঞ্জয় ৰয়ক হত্যা আৰু ধৰ্ষণৰ অভিযুক্ত হিচাপে চিনাক্ত কৰা হৈছে।

০০০০০০০

দৰং জিলাৰ মঙলদৈৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি কেৰিয়াৰ পৰামৰ্শ ২০২৪ শীৰ্ষক এটা জিলা পৰ্যায়ৰ কেৰিয়াৰ পৰামৰ্শদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলাখনৰ শিক্ষিত যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ উপযুক্ত পথৰ সন্ধান দিয়াৰ লক্ষ্যৰে জিলা নিয়োগ বিনিময় কেন্দ্ৰই এই কাৰ্যসূচী হাতত লৈছে। এই পৰামৰ্শ দান কাৰ্যসূচীত জিলাখনৰ মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীৰ লগতে আন যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীত অসম দক্ষতা বিশ্ববিদ্যালয় আৰু গ্ৰামীন আত্মসংস্থাপন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ লগতে কেইবাটাও ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ বিষয়ববীয়াৰই অংশ ল'ব। জিলাখনৰ নিয়োগ বিষয়াই আকাশবাণীৰ সংবাদদাতাক জানিবলৈ দিয়া অনুসৰি এই পৰামৰ্শদান কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলে সংশ্লিষ্ট ব্যক্তিসকলৰ সৈতে মুকলিভাৱে কথা পাতিব পাৰিব।

০০০০০০০

NEWSPAPER REVIEW/RNU (11-11-2024, MORN.)

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহে ভিন ভিন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰৰ বৰ্তমানৰ বিত্তীয় অৱস্থাক লৈ দৈনিক অসম আৰু অসমীয়া প্ৰতিদিন কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দৈনিক অসম কাকতৰ শিৰোনাম সুতৰ হেঁচাত ককবকাইছে দিছপুৰে, বাৰ্ষিক বাজেটতকৈ বৃদ্ধি হৈছে ঋণৰ পৰিমাণ। অসমীয়া প্ৰতিদিন কাকতে বাতৰিটো বাজেট ধাৰ্য পুঁজিৰ মাথোঁ ৩৯.৯৪% হে ব্যয় শীৰ্ষৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চামগুৰি সমষ্টিৰ উপ নিৰ্বাচনত সংঘটিত ব্যাপক হিংসাত্মক ঘটনাক লৈ কেইবাখনো কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দৈনিক অসম কাকতে আক্ৰমণ প্ৰত্যাক্ৰমণত উত্তাল চামগুৰি,আমাৰ অসম কাকতে চামগুৰি যেন ৰণখেত্ৰ, অসমীয়া খবৰ কাকতে উত্তপ্ত ৰক্তাক্ত চামগুৰি, ক্ষুণ্ণ মুখ্যমন্ত্ৰী, দৈনিক অগ্ৰদূত কাকতে উপ নিৰ্বাচনৰ হিংসাত উত্তাল চামগুৰি, অসমীয়া প্ৰতিদিন কাকতে গুলিবৰ্ষণ, শিলাবৰ্ষণ, হতাহতি, প্ৰচণ্ড মাৰপিটেৰে অগ্নিগৰ্ভ চামগুৰি, দৈনিক জনমভূমি কাকতে নিৰ্বাচন আয়োগৰ পদক্ষেপ, নগাঁওৰ দুই আৰক্ষী

বিষয়াক বদলি, নিয়মীয়া বাৰ্তা কাকতে গুলিবৰ্ষণ , আক্ৰমন, প্ৰত্যক্ৰমণত উত্তাল চামগুৰি , THE SENTINEL কাকতে SAMAGURI TENSE,BYE POLL CAMPAIGN ENDS TODAY শীৰ্ষৰে বাতৰি পৰিৱেশন কৰিছে। গছ ৰক্ষাৰ দেৱাল লিখনৰ বাবে চিত্ৰশিল্পীসহ তিনজন লোকক আটক কৰাৰ সন্দৰ্ভত দৈনিক অসম ,দৈনিক জনমভূমি, আমাৰ অসম, দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন কাকতে বাতৰিটো ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে । ক্ষমতাচ্যুত শেইখ হাঁচিনাক প্ৰত্যাৰ্পন কৰিবলৈ বাংলাদেশ চৰকাৰে INTERPOL ৰ সহায় লব বুলি এটা বাতৰি THE ASSAM TRIBUNE কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। বাতৰিটো আমাৰ অসম কাকতেঁও প্ৰথম পৃষ্ঠাত স্থান দিছে । দেওবাৰে লেবানন আৰু উত্তৰ গাজাত ইজৰাইলৰ আক্ৰমণত কেইবাজনো লোক নিহত হোৱাৰ এটা বাতৰি THE ASSAM TRIBUNE প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: প্ৰশাসনত অচলাৱস্থা ,৫০ বিষয়া নিলম্বিত,৫১ জন দেপুতেশ্বনত , ঝাৰখণ্ডৰ নিৰ্বাচনৰ পাছতেই আৰম্ভ হব ৬ নং দফা ৰূপায়ণৰ প্ৰক্ৰিয়া , ভাৰতত বিক্ৰী হয় নিম্নমানৰ শীতল পানীয় , চিপছ, হৰলিক্স, টুথপেষ্ট, শ্যেম্পু, ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত নামভৰ্তি , অচিৰেই ২৫% দুখীয়া শিক্ষাৰ্থীক লৈ পৰ্টেল , গুৱাহাটীৰ বজাৰত উপলব্ধ ভেজাল হালধি অকাল মৃত্যু হৃদৰোগৰ কাৰক , আজি ১২ ঘন্টিয়া তিনিসূকীয়া , ডিব্ৰুগড় বন্ধক লৈ কঠোৰ প্ৰশাসনৰ নিষেধাজ্ঞা , বনকৰা যুৱতীয়ে অপহৰণ কৰা কন্যা শিশুক বগীনদীত উদ্ধাৰ, গুৱাহাটীত চাঞ্চল্য ইত্যাদি,।

এয়াই আছিল গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত এক চমু অৱলুকন।

এতিয়া পুনৰ ঘুৰি যাযও বাতৰিৰ মাজলৈ...

0000000

প্ৰেছ ক্লাব অব্ ইণ্ডিয়াৰ সদ্যঘোষিত নিৰ্বাচনত ‘দা ৱায়াৰ’ৰ সম্পাদক সংগীতা বৰুৱা পিছাৰ্টীয়ে উপ-সভাপতিৰ পদত জয়লাভ কৰিছে। অনুষ্ঠানটোৰ উপ-সভাপতি পদত নিৰ্বাচিত বৰুৱা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম তথা দেশৰ দ্বিতীয়গৰাকী মহিলা। ইপিনে, ১৬ জনীয়া পৰিচালনা সমিতিৰ সদস্য হিচাপে ৰাজ্যৰ আন এগৰাকী সাংবাদিক আশীষ গুপ্তা নিৰ্বাচিত হৈছে।

কালি ঘোষণা কৰা নিৰ্বাচনৰ ফলাফলত সাংবাদিক গৌতম লাহিৰী সভাপতি আৰু নিৰজ ঠাকুৰ সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত হৈছে।

0000000

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ সমীপৰ কাকজানত অহা ১৯ আৰু ২০ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে বীৰ ৰাঘব মৰাণ দিৱস পালন কৰা হ'ব। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু অসম মৰাণ সভাৰ যৌথ উদ্যোগত আৰু মৰাণ জনজাতিৰ আটাইকেইটা সংগঠনৰ সহযোগত এই দিৱস পালন কৰা হ'ব। মৰাণ বীৰগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱা আৰু তেওঁৰ বীৰত্বৰ কথা নৱ প্ৰজন্মক অৱগত কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই দিৱস উপলক্ষে আজি সভাৰ মূল মণ্ডপৰ লাইখুঁটা স্থাপন কৰা হ'ব।

০০০০০০০

অসম স্কোৱাচ ৰেকেট এছোছিয়েছনৰ উদ্যোগত উদ্বোধনী বৰ্ষৰ সদৌ অসম আন্তঃস্কুল আৰু তৃতীয় উত্তৰ-পূব স্কোৱাচ প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। প্ৰতিযোগিতাখনৰ উত্তৰ-পূব স্কোৱাচৰ পুৰুষ আৰু মহিলাৰ দলীয় শাখাত অসমে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। পুৰুষৰ শাখাত ছাৰ্ভিছেছ আৰু মহিলাৰ শাখাত মণিপুৰ দ্বিতীয় স্থান আছে। পুৰুষৰ মুকলি শাখাত অসমৰ ঈশ্বান জৈন, আদিল ৰাৰ্ছি আৰু সাৰাংশ ছাইনী ক্ৰমে প্ৰথম তিনিটা স্থান থাকে। আনহাতে মহিলাৰ মুকলি শাখাত মণিপুৰৰ ডব্লিউ এল ছানোৱে প্ৰথম, অসমৰ আদ্ৰিক দে দ্বিতীয় আৰু নিহাৰিকা গোস্বামীয়ে তৃতীয় স্থান লাভ কৰে।

০০০০০০০

দক্ষিণ আফ্ৰিকাৰ এবেখাত কালি অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে ৩ উইকেটত জয়লাভ কৰে। শৃংখলাটোত দুয়োটা দলে ১-১ ফলাফলত সমতা স্থাপন কৰিছে। কালিৰ খেলখনত দক্ষিণ আফ্ৰিকাই ভাৰতে বান্ধি দিয়া ১২৫ ৰানৰ লক্ষ্যৰ প্ৰত্যুত্তৰত ১৯ অ'ভাৰত ৭ টা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে।

০০০০০০০

বিহাৰৰ ৰাজগিৰিত আজিৰে পৰা ২০২৪ বৰ্ষৰ মহিলাৰ এছিয়ান হকী চেম্পিয়নছ ট্ৰফী আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ১০ দিনীয়া এই প্ৰতিযোগিতা মুকলি কৰিব। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত বিহাৰ ক্ৰীড়া প্ৰাধিকৰণৰ সঞ্চালকপ্ৰধান ৰবীনন্দ্ৰন শংকৰণে কয় যে, বিহাৰত এইবাৰ প্ৰথমবাৰৰ বাবে এনেধৰণৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে ৰাজ্য চৰকাৰখনে বিহাৰক দেশৰ পূব অংশৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। এই প্ৰতিযোগিতাত ভাৰতৰ বাহিৰেও চীন, জাপান, মালয়েছিয়া, কোৰিয়া আৰু থাইলেণ্ডৰ হকী দলে ভাগ লৈছে। অহা ২০ নৱেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০০

**সমাপ্ত**